**63/1 (SEM-1) (GE/DSCA)/ ASMHG/RC1016**

**2022**

( Held in 2023 )

ASSAMESE

Paper : (ASMHG1016/ASMRC1016)

**( Introduction to Assamese Folk Literature )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) ড. সত্যেন্দ্ৰনাথ শৰ্মাই লোকসাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

*(i)* দুটা

*(ii)* পাঁচটা

*(iii)* তিনিটা

*(iv)* চাৰিটা

(খ) তলৰ কোনটো শ্ৰেণীৰ গীত অনুষ্ঠানমূলক গীতৰ অন্তৰ্গত নহয়?

*(i)* বিয়ানাম

*(ii)* ধাইনাম

*(iii)* অপেশ্বৰীসবাহৰ নাম

*(iv)* ভেকুলীবিয়াৰ নাম

(গ) কোন শ্ৰেণীৰ গীতত 'হাতী মাউত'ৰ জীৱন চৰ্যাৰ বিষয়ে উল্লেখ পোৱা যায়?

(i) কামৰূপী লোকগীতত

(ii) বগেজাৰী গীতত

(iii) হাইদাং গীতত

(iv) গোৱালপৰীয়া লোকগীতত

(ঘ) 'নাহৰৰ গীত' কোন শ্ৰেণীৰ মালিতা?

(i) বুৰঞ্জীমূলক

(ii) পুৰাণগত

(iii) বাৰমাহী

(iv) জনশ্ৰুতিমূলক

(ঙ) 'তেজীমলাৰ সাধু'টো কোন শ্ৰেণীৰ সাধুকথা?

(i) টেটোন শ্ৰেণীৰ

(ii) অতিলৌকিক শ্ৰেণীৰ

(iii) ধৰ্মমূলক শ্ৰেণীৰ

(iv) ব্যাখ্যামূলক শ্ৰেণীৰ

(চ) 'অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থখনৰ ৰচক হ'ল

(i) ড. প্ৰফুল্ল দত্ত গোস্বামী

(ii) ড. হেমন্ত কুমাৰ শৰ্মা

(iii) ড. মহেশ্বৰ নেওগ

(iv) ড. লীলা গগৈ





২। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) নামনি অসমত প্ৰচলিত দুটা লোকনাট্যানুষ্ঠানৰ নাম লিখা।

(খ) 'Ballad' শব্দৰ অসমীয়া প্ৰতিশব্দ কি? এই শব্দটো ক'ৰ পৰা আহিছে?

(গ) বিহু গীত আৰু বনগীতৰ দুটা সাদৃশ্য উল্লেখ কৰা।

(ঘ) 'মহো-হো গীত' আৰু 'বাম্বোলপিতা গীত' কেতিয়া গোৱা হয়?

(ঙ) 'অইনিঃতম' আৰু 'ছাথাৰ গীত' কোন কোন জনগোষ্ঠীৰ লগত জড়িত?

৩। উত্তৰ দিয়া (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) লোকগীতৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(খ) পুতলা নাচৰ বিষয়ে আলোচনা কৰা।

(গ) ফকৰা-যোজনাৰ মাজেৰে সমাজজীৱনৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঘ) অসমীয়া বাৰমাহী গীতৰ বিষয়ে চমুকৈ লিখা।

(ঙ) খুলীয়া ভাউৰীয়াৰ বিষয়ে আলোচনা কৰা।

(চ) প্ৰবাদ-প্ৰবচনবোৰক কিয় 'দহৰ জ্ঞান, একৰ বাণী' বোলা হয়? বুজাই লিখা।

(ছ) অসমীয়া সমাজত প্ৰচলিত জন্তু বিষয়ক সাধুবোৰৰ বিষয়ে আলোচনা কৰা।

(ঞ) অসমীয়া আইসকলৰ মাজত প্ৰচলিত ভক্তিমূলক লোকগীতৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঝ) 'ওজাপালি'ৰ শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) গোলকীকৰণে লোকনাট্যানুষ্ঠানসমূহৰ ওপৰত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে এই বিষয়ে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(খ) আখ্যানমূলক লোকগীত কাক বোলে? অসমীয়া আখ্যানমূলক লোকগীতসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে বহলাই আলোচনা কৰা।

(গ) অসমীয়া সমাজত প্ৰচলিত সাধুকথাবোৰৰ শ্ৰেণীবিভাগ কৰি আলোচনা কৰা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) লোকসাহিত্য কাক বোলে? অসমীয়া লোকসাহিত্যৰ শ্ৰেণীবিভাগ কৰি বহলাই আলোচনা কৰা।

(খ) প্ৰবাদ-প্ৰবচনবোৰে অসমীয়া লোকসাহিত্যৰ ভঁৰাল কিদৰে চহকী কৰিছে, আলোচনা কৰা।

★★★